**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 05-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফিনলেণ্ডৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ষ্টাবে আজি বিস্তৃত দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ উদ্দেশ্যে আলোচনাত মিলিত হ'ব।

২। ইৰানৰ বিৰুদ্ধে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সামৰিক অভিযানক আমেৰিকাৰ ছেনেটে সমৰ্থন জনাইছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি ছৌদি আৰবৰ বিদেশ মন্ত্ৰীৰ সৈতে পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত বাৰ্তালাপ কৰে।

৪। সমাগত ৰাজ্যসভাৰ ৩৭ খন আসনৰ নিৰ্বাচনৰ বাবে ১০ খন ৰাজ্যত মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া আজি সমাপ্ত হ'ব। *আৰু*

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত নিউজিলেণ্ডে কালি দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফিনলেণ্ডৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ষ্টাবে আজি বিস্তৃত দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ উদ্দেশ্যে আলোচনাত মিলিত হ'ব। তেওঁলোকে পাৰস্পৰিক সহযোগিতাকে ধৰি গোলকীয় বিষয়সমূহৰ ওপৰতো আলোচনা কৰিব। আলোচনাৰ অন্তত কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হ'ব। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ফিনলেণ্ডৰ ৰাষ্ট্ৰপতিগৰাকীক দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰাৰ বাবে নিমন্ত্ৰণ জনাইছে। ৰাষ্ট্ৰপতি ষ্টাব চাৰিদিনীয়া ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হয়। তেওঁক বিমান বন্দৰত বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে আদৰণি জনায়।

০০০০০

ইৰাণৰ বিৰুদ্ধে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সামৰিক অভিযানক সমৰ্থন আমেৰিকাৰ ছেনেটে সমৰ্থন জনাইছে। আমেৰিকান কংগ্ৰেছৰ অনুমোদন অবিহনে চলি থকা এই সামৰিক অভিযান বন্ধ কৰাৰ লক্ষ্যৰে উত্থাপিত দ্বিদলীয় প্ৰস্তাৱক বাধা দিবলৈ ছেনেটৰসকলে ভোটদান কৰে। যোৱা নিশা অনুষ্ঠিত ভোটদান প্ৰক্ৰিয়াত ৫৩–৪৭ ভোটৰ ব্যৱধানত এই প্ৰস্তাৱ আগবঢ়োৱাৰ বিপক্ষে সিদ্ধান্ত গৃহীত হয়।

মধ্যপ্ৰাচ্যত ৰাষ্ট্ৰপতি ট্ৰাম্পে সামৰিক শক্তি মজুত কৰা আৰু ইৰাণৰ বিৰুদ্ধে আমেৰিকা তথা ইজৰাইলৰ আক্ৰমণক কেন্দ্ৰ কৰি ইতিমধ্যে বিতৰ্কৰ সূচনা হৈছে। ট্ৰাম্পে দেশখনক পুনৰ ইৰাক আৰু আফগানিস্তানৰ দৰে 'অন্তহীন যুদ্ধ'সদৃশ পৰিস্থিতিৰ দিশে ঠেলি দিছে নেকি সেই প্ৰশ্নও উত্থাপিত হৈছে। কিন্তু প্ৰস্তাৱ বিৰোধিতা কৰাসকলে এই অভিযোগ অস্বীকাৰ কৰি মন্তব্য কৰিছে যে ৰাষ্ট্ৰপতি তথা সশস্ত্ৰ বাহিনীৰ মুখ্য অধিনায়ক হিচাপে ট্ৰাম্পৰ এই পদক্ষেপ আইনসংগত। যুক্তৰাষ্ট্ৰক সুৰক্ষিত কৰি ৰাখিবলৈ সীমিত সামৰিক আক্ৰমণৰ নিৰ্দেশ দিয়াটো তেওঁৰ সাংবিধানিক অধিকাৰৰ অন্তৰ্গত বুলিও তেওঁলোকে উল্লেখ কৰে।

যোৱা নিশাৰ এই ভোটগ্ৰহণ ডেম'ক্ৰেটিক দলৰ মাজত বৃদ্ধি পোৱা অসন্তোষৰ পৰিপ্ৰেক্ষিতত অনুষ্ঠিত হয়। তেওঁলোকৰ অভিযোগ- যুদ্ধ আৰু সামৰিক অভিযান সম্পৰ্কীয় বিষয়ত ট্ৰাম্পে ক্ৰমাগত কংগ্ৰেছক উপেক্ষা কৰি আহিছে। ট্ৰাম্পৰ দ্বিতীয় কাৰ্যকালত আইন প্ৰণেতাসকলৰ স্পষ্ট অনুমোদন অবিহনে আমেৰিকাৰ সামৰিক বাহিনীয়ে আন সাতখন দেশত আক্ৰমণ চলোৱা বুলিও অভিযোগ কৰা হৈছে।

উল্লেখযোগ্য যে, ১৯৭৩ চনত ভিয়েটনাম যুদ্ধৰ পাছত গৃহীত 'ৱাৰ পাৱাৰ্ছ ৰিজ'লিউশ্যন' আইনখন বিশেষকৈ এনে একপক্ষীয় সামৰিক পদক্ষেপ নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে প্ৰণীত হৈছিল। এই আইন অনুসৰি, ৰাষ্ট্ৰপতিয়ে আমেৰিকাৰ সশস্ত্ৰ বাহিনীক কোনো যুদ্ধত নিয়োজিত কৰাৰ ৪৮ ঘণ্টাৰ ভিতৰত কংগ্ৰেছক অৱগত কৰিব লাগিব। লগতে, যুদ্ধ ঘোষণা বা সামৰিক শক্তি ব্যৱহাৰৰ নিৰ্দিষ্ট অনুমোদন অবিহনে ৬০ দিনতকৈ অধিক সময় সশস্ত্ৰ বাহিনীক যুদ্ধত নিয়োজিত ৰাখিব নোৱাৰিব, অৱশ্যে প্ৰয়োজন অনুসৰি অতিৰিক্ত ৩০ দিনৰ সময়সীমা প্ৰদান কৰা যাব পাৰে। এই আইন অনুসৰি কংগ্ৰেছৰ যিকোনো সদস্যই আমেৰিকাৰ সশস্ত্ৰ বাহিনী প্ৰত্যাহাৰৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত কৰাৰ দাবী তুলিব পাৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি ছৌদি আৰবৰ বিদেশ মন্ত্ৰী ৰাজকুমাৰ ফইচল বিন ফাৰহান বিন আব্দুল্লাহৰ লগত টেলিফোনিক বাৰ্তালাপ কৰে। তেওঁলোকৰ আলোচনাত পশ্চিম এছিয়াৰ ক্ৰমাৎ বেয়া হ'বলৈ ধৰা নিৰাপত্তা পৰিস্থিতিৰ বিষয়ে স্থান লাভ কৰে। ছৌদি আৰবৰ চৰকাৰী সূত্ৰ অনুসৰি ছৌদি প্ৰেছ্ এজেন্সিয়ে বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্ধৃতি দি জনাই যে ভাৰতৰ বৈদেশিক মন্ত্ৰীয়ে অঞ্চলটোৰ সামগ্ৰিক ভূ-ৰাজনৈতিক পৰিৱেশ, আন্তঃৰাষ্ট্ৰীয় নিৰাপত্তা তথা স্থিৰতা আৰু তাৰ বাবে গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাৰ বিষয়ে আলোচনা কৰে।

বাৰ্তালাপত ইৰানৰ বিৰুদ্ধে ইজৰাইল আৰু আমেৰিকাৰ যৌথ আক্ৰমণ আৰু তাৰ প্ৰত্যুত্তৰত ইৰানৰ সমগ্ৰ উপসাগৰীয় অঞ্চলত আক্ৰমণৰ বিষয়টোৱে স্থান লাভ কৰে। দুয়োখন দেশৰ বিদেশ মন্ত্ৰী দুগৰাকীয়ে এই সংঘাতৰ বাবে হৰমুজ জলদ্বীপত সামুদ্ৰিক সুৰক্ষা আৰু আঞ্চলিক শক্তিসমূহৰ সৈতে জড়িত বহুল সংঘাতক লৈ উদ্বেগ প্ৰকাশ কৰে।

০০০০০

সমাগত ৰাজ্যসভাৰ ৩৭ খন আসনৰ নিৰ্বাচনৰ বাবে ১০ খন ৰাজ্যত মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া আজি সমাপ্ত হ'ব। মনোনয়ন পত্ৰসমূহ কাইলৈ পৰীক্ষা কৰা হ'ব আৰু প্ৰাৰ্থীসকলে ৯ মাৰ্চলৈকে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। এই নিৰ্বাচনৰ বাবে ১৬ মাৰ্চত ভোটগ্ৰহণ কৰা হ'ব আৰু একেদিনাই ফলাফলো ঘোষণা কৰা হ'ব।

০০০০০

ইজৰাইলে ইৰাণৰ ৰাজধানী তেহৰাণত প্ৰশাসনৰ সৈতে জড়িত বাছিজ আৰু অভ্যন্তৰীণ সুৰক্ষা কামাণ্ড কেন্দ্ৰত এলানি আক্ৰমণ চলোৱাত পশ্চিম এছিয়াত সংঘাত তীব্ৰতৰ হৈছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীসমূহে সামাজিক মাধ্যমযোগে জানিবলৈ দিছে যে, ইৰাণ কৰ্তৃপক্ষই সমগ্ৰ ইৰাণতে নিয়ন্ত্ৰণ কৰা কামাণ্ড কেন্দ্ৰটোত আক্ৰমণ চলায়। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীসমূহে ক্ষেপণাস্ত্ৰ আৰু আন ব্যৱস্থাৰে এই আক্ৰমণ চলায়। ইজৰাইলৰ বায়ু সেনা বাহিনীয়ে জানিবলৈ দিছে যে, ইৰাণৰ সেনাবাহিনীয়ে যুঁজাৰু বিমানক প্ৰতিহত কৰিবলৈ ব্যৱহাৰ কৰা এয়াৰ ডিফেন্স ছিষ্টেমক ধ্বংস কৰিছে। ইতিমধ্যে ইৰাণৰ চৰকাৰী টেলিভিশ্যনে জানিবলৈ দিছে যে, ইৰাণৰ সৰ্বোচ্চ নেতা খামেইনীৰ শোক সভা স্থগিত ৰখা হৈছে আৰু পাছত অনুষ্ঠিত কৰা হ'ব। আমেৰিকা যুক্তৰাষ্ট্ৰৰ মানৱ অধিকাৰ সংস্থাই জানিবলৈ দিছে যে, ২৮ ফেব্ৰুৱাৰীৰ

পৰা ইৰাণত এহেজাৰ ৯৭ গৰাকী অসামৰিক লোক নিহত হৈছে। ইজৰাইলৰ বিমান বাহিনীয়ে বেইৰুটত হিজবুল্লাৰ আন্তঃগাঁথনিক লক্ষ্য কৰি পুনৰ আক্ৰমণ কৰিছে। ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কাট্‌জে জানিবলৈ দিছে যে, ইৰাণৰ পৰৱৰ্তী সৰ্বোচ্চ নেতা নিৰ্বাচন কৰিলে তেওঁক আক্ৰমণৰ লক্ষ্য কৰি লোৱা হ'ব। ইফালে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ চেণ্ট্ৰেল কামাণ্ডৰ, কামাণ্ডাৰ এডমিৰেল ব্ৰেড কুপাৰে কৈছে, যে আমেৰিকা যুক্তৰাষ্ট্ৰই ইৰাণক আক্ৰমণ কৰাৰ পৰা বিৰত নাথাকে আৰু দেশখনৰ সামৰ্থ্য হ্ৰাস পাইছে। অপাৰেচন এপিক ফিউৰি সন্দৰ্ভত তেওঁ কয়, যে ১০০ ঘণ্টাতকৈও কম এই অভিযানত আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰায় দুহেজাৰ লক্ষ্যত আঘাত হানিছে। তেওঁ কয়, যে ইৰাণৰ বায়ু প্ৰতিৰক্ষা বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে আৰু ১০০ টা বেলিষ্টিক ক্ষেপণাস্ত্ৰ, ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰা সৰঞ্জাম আৰু ড্ৰণ ধ্বংস কৰা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ যুদ্ধ বিভাগে এখন বিজ্ঞপ্তিযোগে জানিবলৈ দিছে যে, অপাৰেচন এপিক ফিউৰিৰ সময়ত কুৱেইটৰ শুইআবা বন্দৰত মানৱবিহীন যুঁজাৰু বিমানৰ আক্ৰমণত আমেৰিকাৰ সেনাবাহিনীৰ চাৰিগৰাকী লোক নিহত হয়। ইতিমধ্যে, ইংলেণ্ড আৰু ফ্ৰান্সে ছাইপ্ৰাছত যুদ্ধ জাহাজ আৰু বায়ু প্ৰতিৰক্ষা সঁজুলি নিয়োগ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰমাৰে জানিবলৈ দিছে যে, ছাইপ্ৰাছ আৰু তাত থকা ইংলেণ্ডৰ সেনা বাহিনীৰ বিষয়া-কৰ্মচাৰীসকলৰ সুৰক্ষাৰ প্ৰতি দেশখন সম্পূৰ্ণ দায়ৱদ্ধ। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৱে চাৰ্লছ দ্যা গৌল্লে নামৰ যুঁজাৰু বিমান কঢ়িয়াই নিব পৰা বিশেষ বিমানক মধ্য প্ৰাচ্যলৈ ৰাওনা হ'বলৈ নিৰ্দেশ দিছে। আন্তঃৰাষ্ট্ৰীয় আণৱিক শক্তি সংস্থাৰ সঞ্চালক প্ৰধান ৰাফেল মাৰিয়ানো গ্ৰোছিয়ে কয়, যে পাৰমাণৱিক বোমা প্ৰস্তুত কৰাৰ ইৰাণৰ কোনো প্ৰমাণ নাই।

পশ্চিম এছিয়াৰ বৰ্তমানৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বৈদেশিক মন্ত্ৰালয়ে এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰিছে। জনসাধাৰণে পুৱা ৯ বজাৰ পৰা নিশা ৯ বজালৈকে ট'ল ফ্ৰি নম্বৰ ১৮০০-১১৮৭৯৭ অথবা ০১১-২৩০১-২১১৩, ০১১-২৩০১-৪১০৪ আৰু ০১১-২৩০১-৭৯০৫ নম্বৰত যোগাযোগ কৰিব পাৰে। ভাৰতীয় দূতাবাসসমূহে অঞ্চলটোৰ সংঘাতৰ প্ৰতি ২৪ ঘণ্টাই খোলা থকা জৰুৰীকালীন সাহায্যৰ বাবে এই নম্বৰকেইটা মুকলি কৰিছে।

০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ভাৰত আজি ইংলেণ্ডৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া ৭ বজাত মুম্বাইৰ ৱানখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

কালি প্ৰথমখন ছেমি ফাইনেলত ফিন এলেনৰ অপৰাজিত শতৰানৰ সহায়ত নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰে। দক্ষিণ আফ্ৰিকাই বান্ধি দিয়া ১৭০ ৰানৰ লক্ষ্য নিউজিলেণ্ডে এটা উইকেট হেৰুৱাই অনায়াসে ১২ অভাৰ ৫টা বলত বিজয় লক্ষ্যত উপনীত হয়। ইয়াৰ আগেয়ে নিউজিলেণ্ডে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ফিন এলেনক প্লেয়াৰ অৱ দা মেচৰ ট্ৰফী প্ৰদান কৰা হয়।

আজিৰ বিজয়ী দলটোৱে দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া ফাইনেলত নিউজিলেণ্ডৰ মুখামুখি হ'ব।

০০০০০

সমাপ্ত